## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ তৃতীয়      বিষয় ঃ ভাষা-১ (অসমীয়া)    প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী আৰু মাৰ্চ), ২০১৯ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

- ⇨ যুক্তাক্ষৰ গঠন কৰিব পৰা আৰু ভাঙি লিখিব পৰা।
- ⇨ যুক্তাক্ষৰ যুক্ত শব্দ বাক্যত প্ৰয়োগ কৰিব পৰা।
- ⇨ বিভিন্ন বিষয়ৰ ছবি সংগ্ৰহ কৰি (পাঠ সংলগ্ন) ছবিৰ এলবাম প্ৰস্তুত কৰিব পৰা।
- ⇨ বিবিধ বিষয়কলৈ (পাঠ সংলগ্ন) পদ্য, চমু সাৰাংশ লিখিব পৰা।

**শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ - ২০১৯)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) আমাৰ গাঁও | - | পাঠ নং ১ |
| খ) একতাৰ বল | - | পাঠ নং ২ |
| গ) ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা | - | পাঠ নং ৩ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি সৃষ্টি ৰখা হৈছে। NCF-2005 এ লিখক কেৱল ভাষা বিষয়ৰ শিকাৰ ক্ষেত্ৰতে সীমাবদ্ধ নাৰাখি বিদ্যায়তনিক আন সকলো বিষয়তে লিখন কৌশল পৰিপুষ্ট কৰি সেই বিষয়সমূহৰ অৰ্থবোধ জন্মিব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলৰ ভাষাৰ বিকাশ হোৱাটো বিচাৰিছে।

লিখন ভাষা শিক্ষণৰ এক গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় কৌশল। কথন, শ্ৰৱণ, পঠনৰ লগে লগে এটি শিশু শিক্ষাগ্ৰহণৰ (আনুস্থানিক)জৰিয়তে লিখন কৌশল ভালদৰে আয়ত্ত কৰিবলৈ অপৰাগ হ'লে তাৰ শিক্ষা সম্পূৰ্ণ নহয়। ভাষাৰ দুয়োটা ৰূপতেই (কথিত আৰু লিখিত) শিশুৰ বোধগম্যতা নাথাকিলে যথেষ্ট অসুবিধাৰ সৃষ্টি হয়। সেয়ে প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক আৰম্ভণিৰে পৰাই শুদ্ধভাৱে পঠনৰ লগতে লিখন দক্ষতাও আয়ত্ত কৰোৱাব ওপৰত গুৰুত্ব দিব লাগে।

গুণোৎসৱৰ মূল্যায়নৰ তথ্য অনুসৰি ছাত্ৰ-ছাত্ৰীসকলৰ দুৰ্বল হিচাপে চিহ্নিত কৰা ক্ষেত্ৰ হ'ল — লিখনৰ অপাৰগতা। ছাত্ৰ-ছাত্ৰীসকলৰ লিখন-শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ হিচাপে চিহ্নিত দিশবোৰ হ'ল — (ক) বৰ্ণৰ অশুদ্ধি, (খ) যুক্তাক্ষৰৰ উচিত প্ৰয়োগ নজনা, (গ) যুক্তাক্ষৰসমূহ ভাঙি বৰ্ণ বিশ্লেষণ কৰিব নোৱাৰা আৰু (ঘ) যুক্তাক্ষৰযুক্ত শব্দ স্পষ্টকৈ উচ্চাৰণ কৰিব নোৱাৰে। কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীৰ দৈনন্দিন পাঠ সৰবে পঢ়িবলৈ সক্ষম হ'লেও লিখিবলৈ সক্ষম নহয় বা লিখোঁতে বানান ভুল কৰে। সেয়ে লিখন দক্ষতা আয়ত্তকৰণত বাধাৰ সৃষ্টি কৰা কাৰকসমূহ চিনাক্ত কৰি শিকন কাৰ্যত সহায় হোৱাকৈ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰয়োজনীয় বুলি ভবা শিকন পৰিকল্পনা আৰু অনুশীলনী কিছুমানেৰে গোটটো সজাবলৈ বিচৰা হৈছে। লগতে কিছু নতুন ক্ৰিয়া-কলাপৰ জৰিয়তে নতুন নতুন শিক্ষণ-শিকন প্ৰক্ৰিয়া উদ্ভাৱন কৰি শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি সুফল পাব বুলি আশা কৰা হৈছে।

**তলত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

- ⇨ মাতৃভাষাৰ ভেঁটি সুদৃঢ় কৰাৰ লগতে অন্যান্য বিদ্যায়তনিক বিষয়সমূহো ভালদৰে আয়ত্ত কৰিবলৈ লিখন অৰ্হতাৰ প্ৰয়োজন।
- ⇨ ধ্বনিৰ মিল অথচ অৰ্থৰ মিল নথকা শব্দ লিখনিত প্ৰয়োগ কৰিব পৰা।
- ⇨ যুক্তাক্ষৰ ভঙা আৰু গঢ়াৰ উপৰি যুক্তাক্ষৰ থকা শব্দ নিজৰ লিখনিত ব্যৱহাৰ কৰিব পৰা।
- ⇨ মনলৈ অহা যিকোনো ভাব, সাধু, কাহিনী, ছবি চাই বৰ্ণাই লিখিব পৰা হোৱা।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি কি শিকিব পাৰিম ?**

- ⇨ সকলো ছাত্ৰ-ছ্তৰীৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিবৰ বাবে, আনন্দেৰে শিক্ষা লাভৰ বাবে ক্ৰিয়া-কলাপ, অনুশীলনীৰ আগতীয়া এক পৰিকল্পনা কৰিব পৰা যায়।
- ⇨ আৰম্ভণিৰেপৰা সঠিক/শুদ্ধভাৱে লিখন প্ৰক্ৰিয়াত গুৰুত্ব দিব পৰা যায়।
- ⇨ ছাত্ৰ-ছাত্ৰীৰ লিখনৰ দুৰ্বল দিশবোৰ চিনাক্ত কৰি পুনঃ পুনঃ অভ্যাস কৰিলে সেই দুৰ্বলতা আঁতৰ হ'ব বুলি আশা কৰিব পাৰি।
- ⇨ শিক্ষণ-শিকন প্ৰক্ৰিয়াত বিশেষকৈ লিখন ক্ষেত্ৰত অবিৰত মূল্যায়নৰ এটি সুযোগ দিব পৰা যায়।
- ⇨ ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ লগতে শিক্ষক সকলেও স্ব-মূল্যায়ৰ বাট মুকলি কৰিব পাৰিম।
- ⇨ নতুন নতুন উদ্ভাৱনী চিন্তাৰ ক্ৰিয়া-কলাপেৰে শ্ৰেণীকোঠা গতিশীল কৰিব পাৰিম।

**পঠন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক লিখন কাৰ্য, যেনে — শ্ৰুতলিপি, প্ৰশ্নোত্তৰ, বোৰ্ডত লিখন, বাক্যৰচনা আদি কৰিবলৈ দিলে দেখা যায় কিছুমান ছাত্ৰ-ছাত্ৰীয়ে বানান ভুল কৰে, কিছুমানে আখৰ সম্বন্ধে স্পষ্ট ৰূপ অনুভৱ কৰিব নোৱাৰে, যতি-বিৰাম প্ৰয়োগত ভুল কৰে। বিশেষকৈ বেছিভাগ ছাত্ৰ-ছাত্ৰীৰ সাধাৰণ ভুল হ'ল যুক্তাক্ষৰ যুক্ত বানান। এনে ক্ষেত্ৰত শিক্ষক হিচাপে আমি কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰো।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল —**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ১) পাঠত পোৱা নতুন যুক্তাক্ষৰেৰে বাক্য গঠন কৰিব পৰা।<br><br>১) যক্তাক্ষৰসমূহ বাক্যত প্ৰয়োগ কৰিব পৰা।<br><br>১) যুক্তাক্ষৰযুক্ত বাক্য আৰু সৰু সৰু দফা ক্ৰম অনুযায়ী লিখিব পৰা। | ছবি শব্দৰ চাৰ্ট<br><br>যুক্তাক্ষৰ গঠন কাৰ্ড<br><br>কাৰ্ডত লিখা বাক্য | দলগত | ১) তলত দিয়া যুক্তাক্ষৰকেইটাৰে একোটা শব্দ সাজা। ত্ৰ, ষ্ণ, গ্ৰ, ষ্ঠ, ল্প, গ্ৰ।<br>২) তলত দিয়া যুক্তাক্ষৰসমূহৰে বাক্যটো সম্পূৰ্ণ কৰা। ঞ্চ, ধ্ৰু, ল্পী<br>(ক) শি.......দিৱস কোনদিনা পতা হয়?<br>(খ) ম........খন কোনো সজাবা?<br>(গ) .......ৱ ভগৱানৰ পৰম ভক্ত আছিল।<br>৩) তলত দিয়া বাক্যবোৰ পঢ়ি ঘটনাৰ ক্ৰম অনুসৰি লিখা।<br>⇨ অসমীয়া সংস্কৃতিলৈ তেখেতৰ বৰঙনি অলেখ।<br>⇨ ৰেজিনাই বৰ শুৱলাকৈ জ্যোতিসঙ্গীত গায়। তেখেত ৰূপকোঁৱৰ নামেৰে পৰিচিত।<br>⇨ ১৭ জানুৱাৰী তাৰিখে বিদ্যালয়ত শিল্পী দিৱস পতা হয়।<br>⇨ জ্যোতিপ্ৰসাদ আগৰৱালা এজন সংস্কৃতিবান লোক আছিল<br>⇨ আমি সকলোৱে জ্যোতিসঙ্গীত শিকিব লাগে। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

নলবাৰী চহৰৰ ওচৰৰ এখন প্ৰাথমিক বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পাঠ পঢ়াই থাকোঁতে শিক্ষক নীলয় দাসে মন কৰিলে যে ভাষা বিষয়ক পাঠদান কৰোঁতে ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰবিহীন আৰু যুক্তাক্ষৰ থকা শব্দবোৰ জুকিয়াই থ'ব পৰা নাই আৰু শ্ৰেণীত শিক্ষকে বিভিন্ন সময়ত দিয়া বানান বোৰতো যথেষ্ট ভুল ৰৈ গৈছে।

একতাৰ বল (পাঠ নং২) আৰু জ্যোতিপ্ৰসাদ আগৰৱালা (পাঠ নং৩) পাঠদুটি আলোচনা কৰি থাকোঁতে তেওঁ দেখিলে যে যুক্তাক্ষৰ গঠনৰ পাছত সলনি হোৱা শব্দ শুদ্ধভাবে উচ্চাৰণ কৰিব নোৱাৰাৰ ফলত বানানটো লিখোঁত ভুল কৰিছে। তেনেধৰণৰ সমস্যা য় (্য) কাৰ যুক্ত বানানৰ ক্ষেত্ৰতো দেখা গ'ল। তৃতীয় শ্ৰেণীৰ ভাষা শিক্ষক হিচাপে তেওঁ চিন্তা কৰিলে যে প্ৰথম পৰ্যায়ৰ সাময়িকীৰ অন্তৰ্গত ৩য় আৰু ৪ৰ্থ পাঠত থকা যুক্তাক্ষৰ যুক্ত শব্দৰ শুদ্ধ প্ৰয়োগ শিকিলেহে পাঠটি ছাত্ৰ-ছাত্ৰীয়ে সলসলীয়াকৈ পঢ়িব পাৰিব আৰু লিখোঁতে সেই যুক্তবৰ্ণ যুক্ত বাক্যবোৰ শুদ্ধকৈ লিখিবলৈ/বাক্যত প্ৰয়োগ কৰিবলৈ সক্ষম হ'ব।

নীলয় দাসে পাঠকেইটা পঢ়ি দেখিলে যে পাঠ নং ৩ ত যুক্তাক্ষৰৰ মিল থকা অথচ উচ্চাৰণ আৰু অৰ্থৰ অমিল থকা যিবোৰ শব্দ পোৱা গৈছে, তাৰ এখন তালিকা কৰা উচিত। তেওঁ আগতীয়াকৈ পাঠৰ পৰা আৰু পাঠ বহিৰ্ভূত ভাবে যুক্তবৰ্ণৰ কিছুমান শব্দ বাছি উলিয়ালে।

| তালিকা | | | | | |
|---|---|---|---|---|---|
| অষ্ঠ | শিল্পী | ডিব্ৰুগড় | প্ৰীতি | ধৰ্মকান্ত | মধ্যাহ্ন |
| কণ্ঠ | দিল্লী | অগ্নিগড় | সম্প্ৰীতি | ৰমাকান্ত | প্ৰাধান্য |
| লণ্ঠন | কিল্লা | ভগ্নী | সংস্কৃতি | অশ্বক্লান্ত | অভয়াৰণ্য |

শব্দবোৰৰ অৰ্থ প্ৰকাশ হ'ব পৰাকৈ কিছুমান ছবি গোটাই আৰ্ট পেপাৰত আঠা লগাই এখন চাৰ্ট তৈয়াৰ কৰিলে। দ্বিতীয় দিনা নিৰ্দ্দিষ্ট ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত চাৰ্টখন আৰি দি তাত লিখা নামবোৰ হাতেৰে ধৰি ৰাখি তেওঁলোকক ছবিখন চাই বাক্যটো সম্পূৰ্ণকৈ লিখিবলৈ দিলে। ছবিবোৰ চাই বস্তুৰ নামবোৰ (যিবোৰৰ ছবি দিব পাৰি) কোৱাৰ পাছত তালিকাত লিখামতে একে হৈছে নে নাই পৰীক্ষা কৰি চাব দিলে। দেখা গ'ল মাত্ৰ ৭/৮ জন মানৰ বাহিৰে বাকীসকলে বাক্যবোৰ সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ পাছত মুখেৰে কেৰা বাক্যসমূহ নিজৰ নিজৰ বহীত লিখিবলৈ দিলে। যুক্তাক্ষৰ থকা শব্দবোৰৰ বানানৰ শুদ্ধতা আনিবলৈ নীলয় দাসে পুনৰ অন্য এখন তালিকা প্ৰস্তুত কৰিলে আৰু তাৰ পৰা পুনৰবাৰ এজন/দুজন ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বোৰ্ডত লিখি দিলে।

তিনিটা বৰ্ণেৰে যুক্তাক্ষৰ হোৱা আখৰৰ একোখনকৈ কাৰ্ড তৈয়াৰ কৰি নিৰ্দিষ্ট ছাত্ৰ-ছাত্ৰীসকলক দেখুৱালে আৰু তাৰ পৰা পছন্দ অনুসৰি বৰ্ণ বাছি লৈ এটা সাধাৰণ বাক্য সাজিবলৈ দিলে। দেখা গ'ল এনে ক্ৰিয়া-কলাপে ছাত্ৰ-ছাত্ৰীৰ বানানৰ প্ৰতি থকা দুৰ্বলতা দূৰ কৰি তেওঁলোকক যুক্তাক্ষৰৰ খেলত আনন্দমনে যোগদান কৰাৰ বাবে প্ৰেৰিত কৰিলে।

***বিঃদ্ৰঃ শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব আৰু অনুপস্থিত ছাত্ৰ-ছাত্ৰীসকল যাতে বিদ্যালয়ত উপস্থিত থাকে তাৰ বাবে পদক্ষেপ ল'ব লাগিব।***

⇨ *লিখন কৌশল বিকাশৰ বাবে আটাইতকৈ প্ৰভাৱশালী ক্ৰিয়া-কলাপ হৈছে শ্ৰুতলিপি। সেইবাবে আমি শিক্ষক হিচাপে শ্ৰেণীকোঠাত পাৰ্যমানে শ্ৰুতলিপি দিব পাৰোঁ।*

**চিন্তা কৰি চাওঁ আহক —**

⇨ শ্ৰীমান দাসে বৰ্ণৰ শুদ্ধ ৰূপ পঠনত ইমান গুৰুত্ব আৰোপ কৰাৰ কাৰণ কি হ'ব পাৰে?

⇨ পাঠত থকা স্বত্তেও দাসে নিজস্বভাৱে এখন ছবি সহ তালিকা প্ৰস্তুত কৰাৰ কাৰণ কি হ'ব পাৰে?

⇨ শ্ৰীমান দাসে বৰ্ণ কাৰ্ড তৈয়াৰ কৰি সেইবোৰৰ পৰা কিয় বৰ্ণবোৰ বাছি উলিয়াবলৈ দিলে? ময়ো শ্ৰীমান দাসৰ দৰে প্ৰয়াস কৰি চাওঁচোন।

**ক্ৰিয়া-কলাপ ঃ**

২ নং পাঠ (একতাৰ বল) ত থকা যুক্তাক্ষৰবোৰ সহজ ভাষাৰে বুজি, উচ্চাৰণ কৰি শুদ্ধকৈ লিখিব পৰাকৈ তলত উল্লেখ কৰা ক্ৰিয়া-কলাপটোৰ অনুশীলনী কৰিব পাৰি।

প্ৰথমে মই ছাত্ৰ-ছাত্ৰীসকলক 'একতাৰ বল' পাঠটো পঢ়ি পাঠত যিবোৰ যুক্তাক্ষৰ আছে, তাক উলিয়াবলৈ দিম। যেনে, কান্ত, প্ৰীতি, চিন্তা, মূল্যৱান, চেষ্টা, বাণিজ্য।

সমূহ ছাত্ৰ-ছাত্ৰীক ৬/৭ জনকৈ লৈ ৫টা দলত ভাগ কৰি দি সেই যুক্তাক্ষৰ সমূহৰে প্ৰত্যেককে একো একোটা চমু বাক্য সাজিবলৈ দিম। বাক্য সজা হ'লে সেই দলৰ দলপতিজনক নিজৰ দলে লিখি উলিওৱা বাক্যবোৰ পঢ়িবলৈ দিম। পঢ়োঁতে হোৱা উচ্চাৰণৰ ভুলবোৰ শুধৰাই দিম। এতিয়া মই বোৰ্ডত সিহঁতে লিখি অনা বাক্যবোৰেৰে এটা দফা লিখি উলিয়াবলৈ দিম। নোৱাৰিলে সহায় কৰিম। যেনে,

৩ য় পাঠত থকা যুক্তাক্ষৰৰ তালিকা ঃ

ন্দ, স্ত্ৰ, ষ্ঠ, স্থ, স্কৃ স্প, হ্ু, ব্ৰু

এইবাৰ বোৰ্ডখন মোহাৰি মই যিকোনো এজন ছাত্ৰ-ছাত্ৰীক তালিকাত থকা এটা বা দুটা যুক্তাক্ষৰ প্ৰয়োগ কৰি নতুন শব্দ গঠন কৰিবলৈ দিলোঁ। ছাত্ৰজনে শুদ্ধকৈ লিখিলে, আকৌ আন এঝনক সেই যুক্তাক্ষৰেৰে আন এটা শব্দ লিখিবলৈ দিলোঁ, যিটো ভুল হৈছিল। আন ছাত্ৰ-ছাত্ৰীসকলক ইচ্ছাকৃতভাৱে সেইটো ভুল নে শুদ্ধ জানিবলৈ বিচাৰিলো। তেওঁলোকৰ অধিকাংশই ভুলটো ধৰিব পাৰিলে। আন আন ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰতো সেইটো কৰা হ'ল আৰু তাক পৰ্যবেক্ষণ কৰিলোঁ। মন কৰিলোঁ যে তেওঁলোকে ইয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিলে। ইয়াৰ পাছত তলৰ প্ৰশ্নসমূহৰ অৱতাৰণা কৰিলোঁ।

ক) তলত দিয়া শব্দবোৰেৰে একোটা বাক্য ৰচনা কৰা।

কণ্ঠ, সংস্কৃতি, সম্ভ্ৰান্ত, ডিব্ৰুগড়

খ) শুদ্ধ উত্তৰত চিন (✓) দিয়া।

ইন্দ্ৰমালতী এপাহ ফুলৰ নাম/বোলছবিৰ নাম

জ্যোতিপ্ৰসাদ আগৰৱালা এজন নাট্যকাৰ/প্ৰবন্ধকাৰ

অসমৰ সঙ্গীতসূৰ্য/নটসূৰ্য হ'ল ফণী শৰ্মা

**সাৰাংশ ঃ**

ওপৰোক্ত ক্ৰিয়া-কলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে,

⇨ পাঠ আৰু পাঠ বহিৰ্ভূত ভাৱে পোৱা সাধাৰণ যুক্তাক্ষৰ ভাঙি দেখুৱাব পাৰিছে।

⇨ যুক্তাক্ষৰ গঠন কৰিবলৈ সক্ষম হৈছে।

⇨ নিজৰ বাক্যত যুক্তাক্ষৰ প্ৰয়োগ কৰিব পাৰিছে।

➪ যুক্তাক্ষৰ থকা বাক্যৰে সৰু দফা লিখিব পাৰিছে।

➪ তলৰ বাকচৰ পৰা যুতাক্ষৰ আনি বাক্যকেইটা সম্পূর্ণ কৰা।

| | | |
|---|---|---|
| ল্পী | দ্যা | ঙ্ক |
| ল্য | ব্রু | শ্যা |

আমি ৰাতিপুৱা বি.....লয়লৈ যাওঁ।

সোণ এবিধ মূ.......বান ধাতু।

প.....জ পদুম ফুলৰ আন এটা নাম।

জ্যোতিপ্রসাদ আগৰৱালা এজন অমৰ শি............।

➪ তলত দিয়া শব্দবোৰৰ অৰ্থ জানি একোটাকৈ বাক্য ৰচনা কৰা।

জ্যোতি, ইন্দ্ৰ, কণ্ঠ, ডিব্ৰুগড়

**ছাত্র-ছাত্রীৰ বাবে অনুশীলন ঃ**

➪ তলত দিয়া যুক্তাক্ষৰবোৰ ভাঙি দেখুওৱা ঃ

গৃ, স্ক, শ্ল, ব্র, দ্য

➪ তলত দিয়া যুক্তাক্ষৰবোৰ গঠন কৰি দেখুওৱা ঃ

প + য় = [ ]

ন + ঠ = [ ]

গ + ৰ = [ ]

➪ তুমি ভালপোৱা যিকোনো জ্যেতিসঙ্গীত এটি সংগ্ৰহ কৰি নিজৰ বহীত লিখা।

➪ ছবি চাই এখন তালিকা প্ৰস্তুত কৰা (নামৰ তালিকা) ঃ

অসমৰ গোৱালপৰীয়া গীতৰ সম্ৰাজ্ঞী।

অসমৰ জিকিৰ সম্ৰাট

অসমৰ নট সূৰ্য

অসমৰ সঙ্গীত সূৰ্য

➪ তলত দিয়া যুক্তাক্ষৰ কেইটা প্ৰয়োগ কৰি ২ টাকৈ শব্দ লিখা।

র্য প্র ন্ত ব্র ন্ধ

**প্ৰসঙ্গ পুথি ঃ**

➪ পাঠ্যপুথি — অংকুৰণ।

➪ অসমীয়া ব্যাকৰণ প্ৰৱেশ — ড° গোলোক চন্দ্ৰ গোস্বামী।

➪ অসমীয়া মাতৃভাষা শিক্ষণ পদ্ধতি — শ্ৰীহলিৰাম দাস।

******